**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 06-09-2024 **Time :** 1715 Hrs.

***Assamese Evening Bulletin***

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি ডিব্ৰুগড়ত ক্ষুদ্ৰ সচিবালয় মুকলি কৰে। উদ্বোধনী অনুষ্ঠানত কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহন আৰু জলপথ দপ্তৰৰ মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ লগতে ৰাজ্যৰ কেইবাগৰাকীও মন্ত্ৰী-বিধায়ক উপস্থিত থাকে। এই সচিবালয়ে উজনি অসমৰ ডিব্ৰুগড়, তিনিচুকীয়া, লখিমপুৰ, ধেমাজি, শিৱসাগৰ, চৰাইদেউ, মাজুলী, যোৰহাট আৰু গোলাঘাট জিলাৰ প্ৰায় ৭৯ লাখ লোকৰ সৈতে প্ৰশাসনৰ সংযোগ বৃদ্ধি কৰিব আৰু ৰাজ্যিক আৰু কেন্দ্ৰীয় চৰকাৰৰ আঁচনি তথা প্ৰকল্পৰ ধাৰাবাহিক নিৰীক্ষণ আৰু স্থানীয় উন্নয়ন ত্বৰান্বিত কৰাত সহায় কৰিব। ইয়াৰ সহায়ত উজনি অসমৰ জনসাধাৰণে দিছপুৰলৈ নহাকৈ বিভিন্ন বিষয় ডিব্ৰুগড় সচিবালয়তে নিস্পত্তি কৰিব পাৰিব। এই নতুন ব্যৱস্থাৰ অধীনত সময়ে সময়ে উজনি অসমৰ বিভিন্ন জিলাৰ চৰকাৰী বিভাগসমূহৰ কাম-কাজৰ পৰ্যালোচনাৰ লগতে উন্নয়নমূলক কামৰ বাবে অনুষ্ঠান আৰু সংস্থাসমূহৰ সৈতে সমন্বয় স্থাপন সম্ভৱপৰ হৈ উঠিব। একেদৰে চুবুৰীয়া ৰাজ্য অৰুণাচল প্ৰদেশ আৰু নাগালেণ্ডৰ সৈতে সমন্বয় সম্পৰ্কীয় সভা অনুষ্ঠিত কৰাৰ লগতে জনসাধাৰণক পোনপটীয়াকৈ মুখ্যমন্ত্ৰীৰ কাৰ্যালয়ৰ প্ৰশাসনিক সেৱা আগবঢ়োৱা হ'ব। মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰতিমাহত ৪-৫ দিনকৈ ডিব্ৰুগড়ৰ ক্ষুদ্ৰ সচিবালয়ত উপস্থিত থাকিব।

উল্লেখযোগ্য যে ডিব্ৰুগড়ৰ মাইজানত থকা ৰাজ্যিক জলসম্পদ বিভাগৰ ৰাজধানীৰ বাহিৰত এইটোৱেই হৈছে ৰাজ্যৰ প্ৰথমটো সচিবালয়। ডিব্ৰুগড়ৰ ক্ষুদ্ৰ সচিবালয়ত মুখ্যমন্ত্ৰীৰ এগৰাকী যুটীয়া সচিব, এগৰাকী উপ-সচিব, এগৰাকী অবৰ সচিব থাকিব। আনহাতে ডিব্ৰুগড় জিলা আয়ুক্তগৰাকীয়ে মুখ্যমন্ত্ৰীৰ সচিবালয়ৰ অতিৰিক্ত সচিব বা যুটীয়া সচিব হিচাপে কাৰ্যনিৰ্বাহ কৰিব।

oooooooo

ডিব্ৰুগড়ত ক্ষুদ্ৰ সচিবালয় মুকলি কৰি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ১৬টাকৈ সিদ্ধান্ত সন্নিৱিষ্ট প্ৰথমটো নিৰ্দেশনাত স্বাক্ষৰ কৰে। মুখ্যমন্ত্ৰীয়ে স্বাক্ষৰ কৰা নিৰ্দেশনা অনুসৰি এতিয়াৰে পৰা প্ৰতি বছৰে ২৬ জানুৱাৰী তথা গণৰাজ্য দিৱসৰ দিনা মুখ্যমন্ত্ৰীয়ে ডিব্ৰুগড়ৰ ক্ষুদ্ৰ সচিবালয় প্ৰাংগনত পতাকা উত্তোলন কৰিব। একেটা নিৰ্দেশনাতে মুখ্যমন্ত্ৰীয়ে ৰাজ্যৰ ১৯ খন জিলা আয়ুক্তৰ সালসলনিৰ নিৰ্দেশনাতো স্বাক্ষৰ কৰিছে। মুখ্যমন্ত্ৰীয়ে স্বাক্ষৰ কৰা আন নিৰ্দেশনাসমূহ অনুসৰি ১৪ ছেপ্তেম্বৰত কৰম পূজা উপলক্ষে চৰকাৰী বন্ধ ঘোষণা কৰা হৈছে। বৰপেটা, বৰদোৱা, মাজুলীত মাটি বিক্ৰীৰ ক্ষেত্ৰত বাধা আৰোপ কৰা হৈছে। সেই অনুসৰি বৰপেটা চহৰত মাটি বিক্ৰী, বটদ্ৰৱা থানৰ ৫ কিলোমিটাৰ নিলগলৈ মাটি বিক্ৰী আৰু মাজুলী জিলাত মাটি বিক্ৰীত ৪৫ দিনৰ বাবে বাধা আৰোপ কৰা হৈছে। ডিফু চিকিৎসা মহাবিদ্যালয় হাস্পতালত ১০ কোটি ৪৮ লাখ ব্যয়ৰে ২৯টা পেইন কেবিন নিৰ্মাণৰ সিদ্ধান্তত মুখ্যমন্ত্ৰীয়ে স্বাক্ষৰ কৰিছে। মুখ্যমন্ত্ৰীয়ে স্বাক্ষৰ কৰা আন এক নিৰ্দেশনা অনুসৰি আদৰ্শ বিদ্যালয় সংগঠনৰ অধ্যক্ষ হিচাপে ড০ ননী গোপাল মহন্তই কাৰ্যনিৰ্বাহ কৰি যাব।

oooooooo

ৰাজ্য চৰকাৰৰ কৰ্মচাৰী বিভাগৰ প্ৰধান সচিবে জাৰি কৰা এটা নিৰ্দেশনা অনুসৰি ৰাজ্যৰ ১৯ খন জিলাৰ আয়ুক্তৰ সালসলনি ঘটোৱা হৈছে। কামৰূপৰ আয়ুক্ত কীৰ্তি জলীক পঞ্চায়ত আৰু গ্ৰামোন্নয়নৰ আয়ুক্ত হিচাপে বদলি কৰা হৈছে। বিপৰীতে শিৱসাগৰৰ আয়ুক্ত দেৱকুমাৰ মিশ্ৰক কামৰূপৰ আয়ুক্ত হিচাপে বদলি কৰা হৈছে। কাছাৰৰ আয়ুক্ত ৰোহন কুমাৰ ঝাক বৰপেটালৈ বদলি কৰাৰ বিপৰীতে বৰ্তমানৰ বৰপেটাৰ আয়ুক্ত আয়ুষ গাৰ্গক শিৱসাগৰলৈ বদলি কৰা হৈছে। আনহাতে কৰিমগঞ্জৰ আয়ুক্ত মৃদুল যাদৱক কাছাৰৰ আয়ুক্ত হিচাপে বদলি কৰা হৈছে। গোলাঘাটৰ আয়ুক্ত ড০ পি উদয় প্ৰাবীনক উদ্যোগ-বাণিজ্য বিভাগৰ অতিৰিক্ত সচিব হিচাপে বদলি কৰা হৈছে। শিৱসাগৰৰ আয়ুক্ত আদিত্য বিক্ৰম যাদৱক মুখ্যমন্ত্ৰীৰ সচিবালয়ৰ যুটীয়া সচিব পদলৈ বদলি কৰা হৈছে। কোকৰাঝাৰৰ নতুন আয়ুক্ত হিচাপে মাছান্দা মাগদানিল পাৰ্টিনক নিযুক্তি দিয়া হৈছে। ওদালগুৰিৰ আয়ুক্ত জাবিৰ ৰাহুল সুৰেশক ধেমাজিৰ আয়ুক্ত হিচাপে বদলি কৰা হৈছে। আনহাতে কোকৰাঝাৰৰ বৰ্তমানৰ আয়ুক্ত পি কে ত্ৰিবেদিক কৰিমগঞ্জলৈ বদলি কৰা হৈছে। যোৰহাটৰ নতুন আয়ুক্ত হিচাপে জয় শিৱানিক নিযুক্তি দিয়াৰ বিপৰীতে লখিমপুৰৰ আয়ুক্ত গায়িত্ৰী দেৱী দাস হালিয়াঙক বিত্ত বিভাগৰ যুটীয়া সচিব পদলৈ বদলি কৰা হৈছে। মাজুলীৰ আয়ুক্ত কাবেৰী বৰকটকী শৰ্মা ভূমি সংৰক্ষণ বিভাগৰ যুটীয়া সচিব পদলৈ বদলি কৰা হৈছে। বিপৰীতে মাজুলীৰ আয়ুক্ত হিচাপে ৰাতুল চন্দ্ৰ দাসক নিযুক্তি দিয়া হৈছে।

বাক্সাৰ নতুন আয়ুক্ত হিচাপে গৌতম দাসক নিযুক্তি দিয়াৰ বিপৰীতে তামুলপুৰৰ আয়ুক্ত বিদ্যুৎ বিকাশ ভাগৱতীক হোজাইলৈ বদলি কৰা হৈছে। আনহাতে যোৰহাটৰ আয়ুক্ত পুলক মহন্তক গোলাঘাটৰ আয়ুক্ত হিচাপে বদলি কৰা হৈছে। চৰাইদেউৰ আয়ুক্ত নিবেদন দাসক পঞ্চায়ত গ্ৰামোন্নয়ন বিভাগৰ যুটীয়া সচিব পদলৈ বদলি কৰা হৈছে। দৰঙৰ আয়ুক্ত মুনিন্দ্ৰ নাথ ঙাটেক বিশ্বনাথলৈ বদলি কৰাৰ বিপৰীতে দৰঙৰ নতুন আয়ুক্ত হিচাপে পৰাগ কুমাৰ কাকতিক নিযুক্তি দিয়া হৈছে। ওদালগুৰিৰ নতুন আয়ুক্ত হিচাপে পুলক পাটগিৰীক নিযুক্তি দিয়াৰ বিপৰীতে ধেমাজিৰ আয়ুক্ত অংকুৰ ভৰালীক শোণিতপুৰলৈ বদলি কৰা হৈছে। হোজাইৰ আয়ুক্ত লাচিত কুমাৰ দাসক লখিমপুৰলৈ বদলি কৰা হৈছে। আনহাতে ধুবুৰী জিলা উন্নয়ন বিষয়া পল্লৱ মজুমদাৰক মুখ্যমন্ত্ৰীৰ সচিবালয়লৈ বদলি কৰা হৈছে। তামুলপুৰৰ আয়ুক্ত হিচাপে পংকজ চক্ৰৱৰ্তীক নিযুক্তি দিয়াৰ বিপৰীতে বিশ্বনাথৰ আয়ুক্ত নেহা যাদৱক চৰাইদেউলৈ বদলি কৰা হৈছে আৰু ধেমাজি জিলা উন্নয়ন আয়ুক্ত বিশ্বজিৎ ফুকনক ডিব্ৰুগড়ৰ মুখ্যমন্ত্ৰীৰ সচিবালয়লৈ বদলি কৰা হৈছে।

০০০০০০০০

**সমাপ্ত**